# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 24-06-2026

**Time :** 1845 Hrs.

***Assamese Evening Bulletin***
**HEADLINE**

ooooo

১। অৰুণাচল প্ৰদেশৰ নামনি সোৱণশিৰি জিলাত হোৱা ধাৰাসাৰ বৰষুণ আৰু আকস্মিক বানৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰৰ হাই এলাৰ্ট জাৰি।

২। প্ৰতিৰক্ষা সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত অসমৰ অপাৰ সম্ভাৱনীয়তা আছে বুলি মন্ত্ৰী বিমল বৰাৰ প্ৰকাশ।

৩। ৰাজ্যত চলিত বৰ্ষত জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা লোকৰ সংখ্যা ১০লৈ বৃদ্ধি।

৪। ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীলৈ ১০ দিন বেগবিহীন দিন হিচাপে পালন কৰিবলৈ সমগ্ৰ শিক্ষা অসমৰ শিক্ষানুষ্ঠানসমূহলৈ পত্ৰ প্ৰেৰণ।

*আৰু*

৫। ইউ এছ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ মহিলা ডাবলছৰ যুটী তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ দ্বিতীয় ৰাউণ্ডত প্ৰবেশ।

ooooo

অৰুণাচল প্ৰদেশৰ নৱগঠিত কেয়ী পান্যৰ জিলাৰ য়াজালি চক্ৰৰ অন্তৰ্গত নীপকো প্ৰকল্প কলনীত যোৱা নিশাৰে পৰা হোৱা ধাৰাষাৰ বৰষুণৰ বাবে আজি আকস্মিক বানৰ সৃষ্টি হয়। নীপকোৰ সূত্ৰই প্ৰকাশ কৰা মতে, বানৰ ফলত নীপকো কলনীৰ সমীপৰ এখন নিৰ্মিয়মান প্ৰতিৰোধক দেৱাল খহি পৰে আৰু হঠাতে অহা ধলে অঞ্চলটোৰ ব্যাপক ক্ষতিসাধন কৰে। তীব্ৰ গতিত সোমাই অহা পানীয়ে কমেও ১৮ টা আৱাসিক কোৱাৰ্টাৰৰ ক্ষতিসাধন কৰে। এই ঘটনাত এতিয়ালৈকে ৭ গৰাকী লোক সন্ধানহীন হৈ আছে।

ইপিনে, অসম চৰকাৰে অৰুণাচল প্ৰদেশৰ নামনি সোৱণশিৰি জিলাত হোৱা ধাৰাসাৰ বৰষুণ আৰু আকস্মিক বানলৈ চাই হাই এলাৰ্ট জাৰি কৰিছে। প্ৰশাসনে ৰাজ্যৰ কেইবাখনো জিলাত বানৰ প্ৰভাৱ পৰাৰ আশংকা প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি, বিগত ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশৰ য়াজালি অঞ্চলত ৭২ দশমিক ৮ মিলিমিটাৰ বৰষুণ হৈছে। অঞ্চলটোত বিশেষকৈ পুৱা ৬ৰ পৰা ৯ বজাৰ ভিতৰত হোৱা বৰষুণে আকস্মিক বানৰ সৃষ্টি কৰিছে। আকস্মিক বানৰ বাবে ৰঙানদী জলবিদ্যুৎ প্ৰকল্পৰ এখন গে'ট খুলি দিবলগীয়া হৈছে। ইয়াৰ প্ৰভাৱ অসমৰ ধেমাজি, লখিমপুৰ, বিশ্বনাথ আৰু শোণিতপুৰ জিলাত পৰিব পাৰে বুলি সতৰ্কতা জাৰি কৰা হৈছে। এই প্ৰভাৱ পৰ্য্যায়ক্ৰমে অন্য জিলা হৈ ধুবুৰীলৈকে বিয়পিব পাৰে বুলি সতৰ্ক বাণীত উল্লেখ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে মুখ্য সচিব ড০ ৰবি কোটাই সংশ্লিষ্ট সকলো কৰ্তৃপক্ষৰ সৈতে কথা-পাতিছে আৰু তেওঁলোকক সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিছে। প্ৰভাৱিত হোৱাৰ সম্ভাৱনা থকা জিলাসমূহৰ প্ৰশাসন আৰু সংশ্লিষ্ট বিভাগসমূহক পৰিস্থিতি নিৰীক্ষণ কৰি থাকিবলৈ আৰু সময়মতে সতৰ্কতামূলক ব্যৱস্থা অৱলম্বন কৰিবলৈ কোৱা হৈছে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু অন্য জৰুকালীন সঁহাৰি সংস্থাসমূহক প্ৰয়োজন হ'লেই নিয়োজিত কৰিব পৰাকৈ সাজু কৰি ৰখা হৈছে।

এই সন্দৰ্ভত মন্ত্ৰী সুশান্ত বৰগোহাঁয়ে এইদৰে কয় -

-বাইট-

ক্ষেত্ৰ পৰ্যায়ৰ বিষয়াসকলক নৈ আৰু বিপদৰ আশংকা থকা ঠাইসমূহৰ স্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। একেদৰে দ' আৰু বানপ্ৰৱণ এলেকাত বাস কৰা লোকসকলক সতৰ্ক হৈ থাকিবলৈ আৰু প্ৰয়োজনসাপেক্ষে নিৰাপদ স্থানলৈ যাবলৈ কোৱা হৈছে। বানৰ সময়ছোৱাত সৃষ্টি হোৱা কোৱাল সোঁতলৈ চাই জনসাধাৰণক বানৰ কৱলত পৰা এলেকালৈ নাযাবলৈ আৰু থলুৱাভাৱে নিৰ্মিত নাৱেৰে ব্ৰহ্মপুত্ৰৰ বুকুৰে যাতায়াত নকৰিবলৈ পৰামৰ্শ দিয়া হৈছে। জনসাধাৰণক যিকোনো জৰুৰীকালীন পৰিস্থিতিৰ সন্মুখীন হ'লে ৬০০০-১৮৮-৬২৮ নম্বৰত ফোন কৰি জনাবলৈ কোৱা হৈছে।

০০০০০

অসম আৰু অৰুণাচলত যোৱা কেইদিনমান ধৰি হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত ৩১৫(ক) নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত ভালেমান ঠাইত হোৱা ভূমিস্খলন হোৱাৰ বাতৰি পোৱা গৈছে। তিৰাপৰ দুটা স্থানত হোৱা ভূমিস্খলনৰ বাবে অসমৰ ডিব্ৰুগড় জিলাৰ জয়পুৰ আৰু অৰুণাচল প্ৰদেশৰ তিৰাপ জিলাৰ দেওমালী আৰু খোনছাৰ মাজত পথ যোগাযোগ ব্যাহত হৈছে। জিলা প্ৰশাসনে সতৰ্কতামূলক ব্যৱস্থা হিচাপে সন্ধিয়া ৬ বজাৰ পৰা পুৱা ৬ বজালৈ পথছোৱাৰে যান-বাহনৰ চলাচলত নিষেধাজ্ঞা আৰোপ কৰিছে।

০০০০০

বজালী জিলাৰ বনগাঁও অঞ্চলত আজি বিধায়ক ধৰ্মেশ্বৰ ৰায়ে বান পৰিস্থিতিৰ বুজ লয়। কালদিয়া নৈৰ বাঢ়নি পানীয়ে অঞ্চলটোৰ একাধিক স্থানত তীব্ৰ ক্ষয়-ক্ষতি সাধন কৰাৰ লগতে এটা মথাউৰি ছিগি যোৱাৰ ফলত স্থানীয় ৰাইজৰ মাজত আতংকৰ সৃষ্টি হৈছে। বিধায়কগৰাকীয়ে বনগাঁৰৰ বিভিন্ন অঞ্চল ঘূৰি বানত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ সৈতে মত বিনিময় কৰে। স্থানীয় ৰাইজে বিধায়কগৰাকীক ভগ্ন মথাউৰি আৰু নৈৰ খহনীয়া অঞ্চলত অবৈধভাৱে বালি আৰু মাটি খনন কৰাৰ ফলত অঞ্চলটোত সৃষ্টি হোৱা পৰিস্থিতিৰ বিষয়ে অৱগত কৰে। বিধায়ক ৰায়ে পৰিস্থিতিৰ বুজ লোৱাৰ অন্তত জল-সম্পদ বিভাগৰ বিষয়াসকলক ভগ্ন মথাউৰি তিনিদিনৰ ভিতৰত মেৰামতি কৰাৰ নিৰ্দেশ দিয়ে। বিধায়কগৰাকীয়ে স্পষ্টভাৱে কয়, যে বান আৰু নৈৰ খহনীয়াৰ ফলত সাধাৰণ ৰাইজ যাতে অধিক কষ্টৰ সন্মুখীন নহয়, তাৰ বাবে অতি ক্ষীপ্ৰতাৰে প্ৰয়োজনীয় ব্যৱস্থাসমূহ গ্ৰহণ কৰিব লাগিব। স্থানীয় জনসাধাৰণে কালদিয়া আৰু পহুমৰা নদীত দীৰ্ঘদিন ধৰি চলি থকা অবৈধ বালি আৰু মাটি খননক লৈ বিধায়কগৰাকীৰ সন্মুখত ক্ষোভ প্ৰকাশ কৰে। তেওঁলোকে কয়, যে এই অবৈধ খননৰ ফলতে নদীৰ স্বাভাৱিক গতিপথ ব্যাহত হৈছে। বিধায়ক ৰায়ে ইয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ ইংগিত দিয়ে আৰু সংশ্লিষ্ট বিভাগসমূহক বিষয়টো গুৰুত্ব সহকাৰে ল'বলৈ আহ্বান জনায়। একে সময়তে বন বিভাগৰ ভূমিকাক লৈও সৰৱ হৈ উঠে স্থানীয় বিধায়কগৰাকী।

০০০০০

প্ৰতিৰক্ষা সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত অসমৰ অপাৰ সম্ভাৱনীয়তা আছে বুলি উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই প্ৰকাশ কৰিছে। প্ৰতিৰক্ষা সামগ্ৰী উৎপাদনত আত্মনিৰ্ভৰশীলতা বিষয়ক এখন কৰ্মশালাত অংশগ্ৰহণ কৰি শ্ৰীবৰাই আজি এইদৰে মন্তব্য কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ দ্বৈত ইঞ্জিনযুক্ত চৰকাৰৰ নেতৃত্বত অসম ক্ৰমাৎ দেশৰ প্ৰতিৰক্ষা উৎপাদন মানচিত্ৰত শক্তিশালী স্থান দখলৰ দিশে আগবাঢ়িছে। তেওঁ লগতে খণ্ডটোৰ সৈতে জড়িত উদ্যোগসমূহক অসমত উৎপাদন কৰিবলৈ আৰু উৎপাদন গোট স্থাপন কৰিবলৈ আহ্বান জনায়।

-বাইট-

অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ সামগ্ৰী উৎপাদনৰ দায়িত্বত থকা অতিৰিক্ত সচিব দিনেশ মাহুৰ, ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব ডঃ জে পি এক্কাৰ লগতে ডি আৰ ডি অ', ভাৰত ইলেকট্ৰনিকছ্ লিমিটেড, আই আই টি গুৱাহাটী আৰু অন্যান্য প্ৰতিষ্ঠানৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

০০০০০

ৰাজ্যত চলিত বৰ্ষত জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা লোকৰ সংখ্যা ১০লৈ বৃদ্ধি পাইছে। ইপিনে, বৰ্তমানলৈকে জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত ৰোগীৰ সংখ্যা হৈছে ৪২। এই ৰোগত আক্ৰান্ত হৈ কামৰূপ জিলাত তিনিজন, বৰপেটা আৰু লখিমপুৰত দুজনকৈ, কামৰূপ মহানগৰ, কাছাৰ আৰু যোৰহাট জিলাত এজনকৈ লোকৰ মৃত্যু হোৱাৰ তথ্য পোৱা গৈছে। তদুপৰি ৰাজ্যত বৰ্তমান একিউট এনকেফেলাইটিছ চিণ্ড্ৰমত আক্ৰান্ত লোকৰ সংখ্যাও ৫১৯লৈ বৃদ্ধি পাইছে। জাপানীজ এনকেফেলাইটিছৰ সংক্ৰমণ বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ স্বাস্থ্য বিভাগে এনে ৰোগীৰ সংখ্যা বৃদ্ধি হোৱা জিলাসমূহত প্ৰতিষেধক প্ৰদান, স্বাস্থ্য কৰ্মীসকলৰ বাবে প্ৰশিক্ষণ কাৰ্যসূচী আৰু জনসজাগতামূলক কাৰ্যসূচীৰ দৰে প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰিছে।

কামৰূপ জিলাৰ ৰঙিয়া আৰু নগৰবেৰাত জাপানী এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ তিনিগৰাকী লোক মৃত্যুমুখত পৰাৰ প্ৰতি লক্ষ্য ৰাখি জিলা স্বাস্থ্য বিভাগে ভালেমান সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। এনে ব্যৱস্থাৰ অংশ হিচাপে জিলাখনৰ ঠায়ে ঠায়ে সজাগতা শিবিৰৰ আয়োজন কৰাৰ লগতে ঔষধমিহলি আঁঠুৱা বিতৰণ, পানী জমা হোৱা ঠাইত ঔষধ ছটিওৱা, সজাগতামূলক ৰাজহুৱা ঘোষণা, ধোঁৱা দিয়া আদি কাৰ্য ৰূপায়ণ কৰা হয়। তদুপৰি জিলাখনৰ গাহৰি পালন কৰা অঞ্চলসমূহতো গাহৰিৰ তেজ পৰীক্ষা কৰা হৈছে বুলি জিলা স্বাস্থ্য বিভাগে জনাইছে।

-বাইট-

০০০০০

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ইউ পি এছ, কম্পিউটাৰ, টেবলেটছ্ আৰু আই এফ বি এছকে ধৰি তথ্য প্ৰযুক্তিৰ সঁজুলি চুৰি হোৱাৰ ঘটনালৈ চাই সমগ্ৰ শিক্ষা অসমে বিদ্যালয়সমূহৰ সুৰক্ষা ব্যৱস্থা সুদৃঢ় কৰিবলৈ নতুনকৈ নিৰ্দেশনা জাৰি কৰিছে। মিছন সঞ্চালক ডঃ ওম প্ৰকাশৰ তৰফৰ পৰা জাৰি কৰা অধিসূচনাযোগে জিলা মিছন

সমন্বয়ক, জিলা প্ৰাথমিক শিক্ষা বিষয়া আৰু বিদ্যালয় পৰিদৰ্শককে ধৰি জিলা কৰ্তৃপক্ষসমূহক এনেধৰণৰ ঘটনা ৰোধ কৰাৰ বাবে ততালিকে ব্যৱস্থা গ্ৰহণ কৰিবলৈ কোৱা হৈছে। অধিসূচনাখনত লগতে চকীদাৰ থকা সত্ত্বেও সংঘটিত চুৰিৰ ঘটনাৰ পৰা গুৰুতৰ সুৰক্ষা গাফিলতিৰ কথা স্পষ্ট হৈছে আৰু ইয়াৰ ফলত বাৰে বাৰে শৈক্ষিক সম্পদৰ লোকচান হৈছে। নতুন নিৰ্দেশনাৰ অধীনত বিদ্যালয়সমূহৰ চকীদাৰসকলক বাধ্যতামূলকভাৱে নৈশ কৰ্তব্যত নিয়োজিত কৰিবলৈ আৰু কৰ্তব্যৰ সময়ত হোৱা চুৰিৰ ঘটনাৰ বাবে তেওঁলোকক জবাবদিহি কৰিবলৈ কোৱা হৈছে। বিদ্যালয়সমূহক লগতে চুৰিৰ ঘটনাৰ বিষয়ে ততালিকে স্থানীয় থানাত অৱগত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

00000

বিত্ত, বন  আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আজি আমট্ৰণৰ প্ৰতিনিধি আৰু বন বিভাগৰ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত অনলাইন ৰাজহ সংগ্ৰহ ব্যৱস্থা সুদৃঢ় আৰু সুচল কৰাৰ বিষয়ে আলোচনা কৰা হয়। আলোচনাত স্বচ্ছতা বৃদ্ধি, পৰিচালনাগত আঁসোৱাহ দূৰীকৰণ আৰু দক্ষ ৰাজহ প্ৰশাসনৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰৰ বিভিন্ন পদক্ষেপৰ অন্বেষণ কৰা হয়। ইয়াৰ পূৰ্বে ভাৰতীয় বন সেৱাৰ বিষয়া সংস্থাৰ এটা দলে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক সৌজন্যমূলক সাক্ষাৎ কৰে। সাক্ষাৎকালত মন্ত্ৰীগৰাকীয়ে সেৱা সম্পৰ্কীয় বিভিন্ন বিষয়ৰ লগতে বহনক্ষম ব্যৱস্থাপনা আৰু সমূহীয়া প্ৰচেষ্টাৰ জৰিয়তে ৰাজ্যৰ বনভূমি তথা প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ বিষয় লৈ মত বিনিময় কৰে।

00000

চৰাইদেউ জিলা প্ৰশাসনে সোণাৰি-মৰাণ পথৰ উন্নয়নৰ বাবে ভূমি অধিগ্ৰহণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। জিলা পৰ্য্যায়ৰ ভূমি ক্ৰয় সমিতিয়ে অসমমালা আঁচনিৰ তৃতীয় পৰ্য্যায়ত ভজো ৰে'লৰে ক্ৰছিঙৰ পৰা জাজৰি পাঁচআলিলৈকে পথছোৱাৰ উন্নীতকৰণৰ বাবে মাহমৰা ৰাজহ চক্ৰৰ অন্তৰ্গত কেইবাখনো গাঁৱৰ ভূমি ক্ৰয়ৰ জৰিয়তে অধিগ্ৰহণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ভূমি অধিগ্ৰহণ কৰিবলগীয়া গাঁওসমূহৰ ভিতৰত কাকতিবাৰী গ্ৰাণ্ট, জাপিধৰা, লিকচন, দিছাংকোষ হাবি, বুঢ়াগোহাঁইবাৰী, গড়কোষ অন্যতম। মাহমৰা ৰাজহ চক্ৰ আৰু জিলা আয়ুক্তৰ কাৰ্য্যালয়ত অধিগ্ৰহণ কৰিবলগীয়া মাটিৰ দাগ নম্বৰ, পাট্টা নম্বৰ আদিৰ সবিশেষ তথ্য প্ৰকাশ কৰা হৈছে। তথ্যত উল্লেখ থকা মাটিৰ গৰাকীয়ে ভূমি বিক্ৰীৰ বাবে আগবাঢ়ি আহিব পাৰে অথবা জাননী প্ৰকাশৰ এমাহৰ ভিতৰত জিলা পৰ্য্যায়ৰ ভূমি ক্ৰয় সমিতিৰ অধ্যক্ষৰ ওচৰত আপত্তি দৰ্শাব পাৰে।

00000

সমগ্ৰ শিক্ষা অসমে শিক্ষানুষ্ঠানসমূহক ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ ১০ দিন বেগবিহীন দিন হিচাপে পালন কৰিবলৈ সকলো জিলাৰ মিছন সমন্বয়ক, বিদ্যালয়ৰ পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰখনত ২০২৬-২৭ শৈক্ষিক বৰ্ষত বেগবিহীন দিন পালনৰ সময়ত কেনে ধৰণৰ কাৰ্যকলাপ গ্ৰহণ কৰা হ'ব সেই বিষয়তো উল্লেখ কৰা হৈছে। সেই অনুসৰি ছাত্ৰ-ছাত্ৰীসকলে বেগ অবিহনে বিদ্যালয়লৈ যোৱা দিনকেইটাত শ্ৰেণীকোঠাৰ বাহিৰত হাতে-কামে কেতবোৰ কাৰ্য সম্পাদন কৰিব লাগিব। এই দিনকেইটাত ছাত্ৰ-ছাত্ৰীসকলক গছৰ সৈতে বন্ধুত্ব কৰা, বিশেষজ্ঞৰ সৈতে কথোপকথন, হস্ততাঁত, হস্তশিল্প উদ্যোগ, চাহ উদ্যোগ পৰিদৰ্শন, ভাস্কৰ্য আৰু কলা সম্বন্ধীয় কাৰ্যকলাপ, দুগ্ধপাম, পুখুৰী, পশুধন, উদ্যানশস্য আদি পৰিদৰ্শনৰ ব্যৱস্থা কৰাৰ বাবে পত্ৰখনত উল্লেখ কৰা হৈছে।

০০০০০

ইউনিছেফ ইণ্ডিয়া আৰু ইউনিছেফ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ জ্যেষ্ঠ শিশু সুৰক্ষা বিশেষজ্ঞসকলক লৈ গঠিত এটা প্ৰতিনিধি দলে আজি নগাঁও জিলাত শিশু কল্যাণ আৰু সুৰক্ষাৰ ক্ষেত্ৰত কৰ্মৰত মুখ্য অংশীদাৰসকলৰ সৈতে আলোচনাত মিলিত হয়। জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এই সভাত জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, ইউনিছেফ ইণ্ডিয়াৰ শিশু সুৰক্ষা শাখাৰ মুখ্য বিষয়া মিলন কিডানে, প্ৰতিনিধি দলৰ শিশু সুৰক্ষা বিশেষজ্ঞ লক্ষ্মীনাৰায়ণ নন্দকে ধৰি আন কেইবাগৰাকী শিশু সুৰক্ষা বিশেষজ্ঞ উপস্থি থাকে। আলোচনা কালত প্ৰতিনিধি দলটোৱে নগাঁও জিলাৰ সামগ্ৰিক শিশু সুৰক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰা, বিভিন্ন চৰকাৰী বিভাগৰ মাজত সমন্বয় উন্নীত কৰা, শিশুৰ নিৰাপত্তা যত্ন তথা সৰ্বাংগীন কল্যাণ সুনিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০

ইউ এছ অ'পেন ছুপাৰ থ্ৰী-হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ মহিলা ডাবলছৰ যুঁটী তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দ দ্বিতীয় ৰাউণ্ডত প্ৰবেশ কৰিছে। ভাৰতীয় যুটীটোৱে প্ৰথম ৰাউণ্ডত স্পেইনৰ পাউলা ল'পেজ আৰু লুচিয়া ৰ'দ্ৰিগজক ২১-১২, ১৪-২১ আৰু ২১-১৩ গেমত পৰাস্ত কৰে। তৃষা আৰু গায়ত্ৰীয়ে পৰৱৰ্তী ৰাউণ্ডত জাপানৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

চৰাইদেউ জিলাৰ এঙেৰা কোঁৱৰগাঁও নিবাসী স্বাধীনতা সংগ্ৰামী কালীনাথ কোঁৱৰৰ আজি দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৮ বছৰ। কোঁৱৰৰ শেষকৃত্য আজি ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰকে ধৰি জিলাখনৰ প্ৰশাসনিক বিষয়া, অসম ৰাজ্যিক স্বাধীনতা সংগ্ৰামী সন্থাৰ লগতে বিভিন্ন ব্যক্তি আৰু সংগঠনে তেওঁৰ মৃত্যুত শ্ৰদ্ধা নিবেদন কৰে।

০০০০০

সমাপ্ত